[23-HKPD1SNP-24 M]

MA 1st Semester (NEP) Exam. 2023 (W)

ASSAMESE (AEC)

(প্ৰয়োগিক অসমীয়া)

[PG, S1 -01]

Full Marks : 70

Time : 3 hours

The figures in the right-hand margin indicate marks.

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) ধ্বনি বুলিলে কি বুজায় ? বৰ্ণ বা আখৰৰ লগত ইয়াৰ সম্পৰ্ক কি ? অসমীয়া স্বৰধ্বনি আৰু সেইবোৰ বুজাৰৰ বাবে ব্যৱহাৰ কৰা বৰ্ণ বা আখৰবোৰ লিখক ।

(*b*) বাক্যৰীতি বুলিলে কোনবোৰ দিশ মনলৈ আহে ? অসমীয়া ভাষাৰ বাক্যৰ শ্ৰেণীবিভাজন কেনেদৰে কৰিব পাৰি– লিখক ।

(*c*) বিভক্তি আৰু কাৰক সংজ্ঞা আগবঢ়াওক । অসমীয়া ভাষাৰ বিভক্তি আৰু কাৰকৰ প্ৰকাৰভেদ দেখুৱাই আলোচনা কৰক ।

(*d*) তলৰ প্ৰশ্নদুটাৰ উত্তৰ লিখক ঃ

(*i*) পদবোৰ ভাঙি কি সমাস হৈছে লিখক –
সাতবিহু, মুখামুখি, বৃকোদৰ, নাওপেটা

(*ii*) ভাব সম্প্ৰসাৰণ কৰক –

- টেঙা আম এবাৰহে বেচিব পাৰি
- ৰাইজৰ নাও বামেৰেও চলে
- পৰত আশ বনত বাস
- গোঁজেই গজালি হোৱা
- তপত ভাতৰ ধোঁৱাই ধৰা

(*e*) অনুচ্ছেদ আৰু ৰচনাৰ সম্পৰ্ক আছেনে লিখক । 'কৃত্ৰিম বুদ্ধিমত্তা (AI) আৰু সৃষ্টিশীল সাহিত্য'– এই বিষয়ে ৰচনা লিখক ।

(*f*) বৃত্তান্ত বুলিলে কি বুজায় ? ইয়াৰ বিভিন্ন দিশবোৰ আলোচনা কৰক । 'ফিচাৰ ষ্টৰী' বুলিলে কি বুজায় লিখক ।

(*g*) ভাষা দক্ষতা বুলিলে কি বুজায় ? বিভিন্ন প্ৰকাৰৰ বাতৰিৰ উৎসসমূহৰ বিষয়ে আলোচনা কৰক ।

(*h*) নাটক এখনৰ লিখিত পাঠ আৰু ইয়াৰ সজীৱ মঞ্চায়নৰ সমীক্ষাৰ মাজত পাৰ্থক্য আছেনে ? আলোচনা কৰক । আপোনাৰ পছন্দৰ যিকোনো সামগ্ৰী এটা বাচি লৈ টি. ভি. বিজ্ঞাপনৰ বাবে অতি চুটি অথচ আকৰ্ষণীয় বিজ্ঞাপনৰ কপি এটি প্ৰস্তুত কৰক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) ভাব অনুসৰি বাক্যৰ বিভাজন দেখুৱাওক । তলৰ শব্দবোৰৰ প্ৰত্যয় ভাঙি দেখুৱাওক ঃ
নাচনী, নিলাজী, দেখনিয়াৰ

(*b*) অসমীয়া ভাষাৰ সন্ধিৰ ভাগসমূহ কি কি ?
তলৰ শব্দ কেইটিৰ লিংগ পৰিৱৰ্তন কৰক ঃ
পো, ডেকা, কোঁৱৰ

(*c*) খণ্ডবাক্যৰ অৰ্থ লিখি বাক্য ৰচনা কৰক ঃ
ফুটুকাৰ ফেন, ধুন মৰা, চকু গজা, অথাই সাগৰ ।

(*d*) 'যান-জঁট আৰু উৎকণ্ঠা' এই বিষয়ে এটা অনুচ্ছেদ লিখক । বিশেষ প্ৰবন্ধৰ পৰিচয় দিয়ক ।

(*e*) তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখক ঃ

(*i*) সমাৰ্থক শব্দ লিখক ঃ ৰাতি, মেঘ

(*ii*) বিপৰীত শব্দ লিখক ঃ তপত, তাঁৰে

(*iii*) শব্দৰ অৰ্থ লিখক ঃ পানী-পানি

(*f*) আপুনি শেহতীয়াকৈ পৰা গ্ৰন্থ এখনৰ চমু সমীক্ষা আগবঢ়াওক ।
